**খাবলৈ ধৰ্, পঢ়িবলৈ বহ্, খাবলৈ উঠ্,**

**বান্ধিবলৈ লাগ, কৰিবলৈ এৰ্** ইত্যাদি।

(চ) প্ৰত্যয়ান্ত ধাতুৰ পাছত আন ধাতু যোগ ঃ

**গচক্ মাৰ, খলক্ লাগ, থেকেচ্ মাৰ্**

**বাগৰ মাৰ, চোঁচৰ্ খা** ইত্যাদি।

এনেদৰে দুটা শব্দমূলৰ সংযোগত সৃষ্টি হোৱা যৌগিক ধাতুবোৰো এক প্ৰকাৰ সাধিত ধাতু। আন সাধিত ধাতুৰ দৰে যৌগিক ধাতুবোৰো পুৰুষ আৰু কাল অনুযায়ী ৰূপ কৰি বিভিন্ন যৌগিক ক্ৰিয়াপদ গঠন কৰিব পাৰি।

**১২.০৩ প্ৰত্যয়ান্ত ধাতু ঃ** অসমীয়া ভাষাত থকা কিছুমান ধাতু বিশ্লেষণ কৰিলে দেখা যায় যে সেই ধাতুবোৰ যিবোৰ মূলৰ পৰা ওলাইছে বুলি ভবা হয়, সেইবোৰৰ পিছত **ক্, চ্, ট্, ঠ্, ৰ্, ল্, আৰু হ** — এইকেইটা ব্যঞ্জন প্ৰত্যয় হিচাপে লগ লাগে। প্ৰত্যয় হিচাপে যোগ হোৱা এই ব্যঞ্জনবোৰে সাধাৰণতে কাৰ্যৰ আকস্মিকতা, ধাৰাবাহিকতা, সাদৃশ্য, পুনঃ পুনঃ আদি অৰ্থ প্ৰকাশ কৰে। এই প্ৰত্যয়ান্ত ধাতুবোৰ দেখাত মৌলিক ধাতুৰ দৰে। এইবোৰৰ কিছুমানৰ পিছত **-কৈ** প্ৰত্যয় যোগ দি সেইবোৰ ক্ৰিয়াবিশেষণ আৰু কিছুমানৰ পাছত আন ধাতু যোগ দি নতুন যৌগিক ধাতু গঠন কৰিব পাৰি। এনে কিছুমান প্ৰত্যয়ান্ত ধাতুৰ উদাহৰণ হ'ল ঃ

-ক্ প্ৰত্যয়ান্ত ধাতু ঃ

| | |
|---|---|
| **খলক্** | **সোলক্** |
| **গৰক্** | **হোঁহক্** |
| **টলক্** | **পিটিক** |
| **থমক্** | **সৰক্, চেলেক্** ইত্যাদি |

-চ্ প্ৰত্যয়ান্ত ধাতু ঃ

**কৰচ্**

**খামোচ্**

**থেকেচ্**

**মলচ্**

**বেচ্**

-ট্, -ঠ্ প্ৰত্যয়ান্ত ধাতু ঃ

**ঘোকট্**

**চিকুট্,**

**নৈওঠ্** ইত্যাদি।

-ৰ্ প্ৰত্যয়ান্ত ধাতু ঃ

| | |
|---|---|
| আঁজোৰ্ | জামৰ্ |
| খোচৰ্, | বাগৰ্ |
| গোজৰ্, | ভেকুৰ, |
| চোঁচৰ, | চেকুৰ্ ইত্যাদি। |

-ল প্ৰত্যয়ান্ত ধাতু ঃ

টকাল্
টহল্
তপাল্
মোকল্
লেৰেল্ ইত্যাদি।

-হ প্ৰত্যয়ান্ত ধাতু ঃ

চোহ্
ডেমেহ্
থেৰেহ আদি।*

১২.০৪ উল্লিখিত প্ৰত্যয়ান্ত ধাতুবোৰৰো কিছুমান পুৰুষ আৰু কাল অনুযায়ী ৰূপ কৰি নানান ক্ৰিয়াপদ গঠন কৰিব পাৰি। ইয়াৰ বাহিৰেও অসমীয়া ভাষাত আৰু এনে কিছুমান ধাতু আছে, যিবোৰক উৎস অনুযায়ী অষ্ট্ৰিক মূলীয়, তিব্বতবৰ্মী মূলীয় আৰু আৰবী-ফাৰ্চী মূলীয় — এই তিনিটা ভাগত ভগাব পাৰি। উল্লিখিত প্ৰত্যয়ান্ত ধাতুবোৰৰো কিছুমান এনেবোৰ আৰ্য ভিন্ন ভাষাৰ।

**সম্ভাব্য অষ্ট্ৰিক মূলীয় সৰল ধাতু ঃ**

| | |
|---|---|
| আট্ | পোত্ |
| উট্ | বাক্ |
| উবুৰিয়া | বিলা |
| কামোৰ্ | বুতল্ |
| কটাল্ | টোক্ |
| কোবোক্ | লৰ্ |
| খামোচ্ | জোপ্ |
| চিঞৰ্ | সলা |

অষ্ট্ৰিক মূলীয় একমাত্ৰ যৌগিক ধাতুটো হৈছে ঃ **উবুৰি হ।**

**সম্ভাব্য তিব্বত-বৰ্মী পৰিয়ালৰ বড়ো মূলীয় ধাতু ঃ**

* প্ৰত্যয়ান্ত ধাতুবোৰ ড° বাণীকান্ত কাকতিদেৱৰ গৱেষণা-গ্ৰন্থ AFD-ৰপৰা লোৱা হৈছে।